# গৌৰৱোজ্জ্বল
# দগো ৰাংছাং গৱেষণা সমিতিৰ
# দহ বছৰীয়া পৰিক্ৰমা


সম্পাদনা

**আব্দুল মজিদ শ্বেখ**



**Dogo-Rangsang Research Society**
**Reg. No. KAM-M/263/L/ 595 of 2015-16**
**Gauhati University Campus**
**Guwahati - 781014**

# 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ বিষয়ববীয়াসকল

| | | | |
|---|---|---|---|
| মুখ্য পৃষ্ঠপোষক | ঃ | ড° উপেন ৰাভা হাকাচাম | |
| উপদেষ্টা মণ্ডলী | ঃ | ড° প্ৰবীণ চন্দ্ৰ দাস | ড° দীপ্তি ফুকন পাটগিৰি |
| | | ড° বিপ্লৱ চক্ৰৱৰ্তী | ড° ইৰশ্বাদ আলি |
| | | ড° কে. ভি. চুব্বাৰাও | |
| সভাপতি | ঃ | ড° ললিত চন্দ্ৰ ৰাভা | |
| উপ-সভাপতি | ঃ | ড° নিভা ৰাণী ফুকন | ড° কনেশ্বৰ বৰুৱা |
| সম্পাদক | ঃ | ড° অংশুমান দাস | |
| যুটীয়া সম্পাদক | ঃ | ড° ধনেশ্বৰ কলিতা (সাংগঠনিক) | ড° পুণ্য লতা গোঁহাই (প্ৰকাশন) |
| কোষাধ্যক্ষ | ঃ | ড° প্ৰণীতা বৰ্মন | |
| প্ৰচাৰ আৰু জনসম্পৰ্ক | | ড° গীতিকা দাস (প্ৰচাৰ) | সংগীতা ৰাজখোৱা (জনসম্পৰ্ক আৰু বিজ্ঞাপন) |
| হিচাপ পৰীক্ষক | ঃ | ড° প্ৰণীতা দেৱী | |
| পৰিয়ালৰ সদস্য | ঃ | শ্ৰীমতী মঞ্জুলা ৰাভা হাকাচামজাক | |
| আমন্ত্ৰিত সদস্য | ঃ | ড° প্ৰফুল্ল কুমাৰ নাথ | ড° বিমল মজুমদাৰ |
| | | ড° চুমি কলিতা | দীপাংকৰ ৰাভা |
| বিশেষ সদস্য | ঃ | ড° লাচিত বৰুৱা | ড° প্ৰণীতা দেৱী |
| | | ড° নিৰ্মালি দাস | ড° মালবিকা বাগলাৰী |
| | | ড° কুশল টাইড | ড° উমেশ দাস |
| | | ড° লোহিত কুমাৰ ৰাভা | ড° গীতিকা দাস |
| | | ড° অনুৰাণী দেৱী | তাজেম আলী |
| | | ড° বিজু মৰাণ | উপেন ডেকা |
| | | বুলুমণি ৰাভা | ৰূপাঞ্জলি হাজৰিকা |
| সদস্য/সদস্যা | ঃ | ড° আব্দুল বাতেন মণ্ডল | ড° ৰত্নেশ্বৰ মিলি |
| | | ড° জ্যোতিৰ্ময় বৰদলৈ | ড° কল্পনা বৈশ্য |
| | | ড° বৰ্ণালী দাস | ড° মণিকা চুতীয়া |
| | | ড° অনুস্মিতা তালুকদাৰ | মণীষা কোঁৱৰ |
| | | চম্পক শইকীয়া | জ্যোতিস্মিতা বৰা (বৰুৱা) |
| | | পুষ্পাঞ্জলি বৰদলৈ | সুনীতা বড়ো |
| | | বৰ্ণালী ডেকা | মমী শৰ্মা |
| | | ধ্ৰুৱজ্যোতি দলে | মজিবুৰ ৰহমান |
| | | অনুপমা ৰাভা | ড° নীহাৰিকা মৰাণ |
| | | শিল্পা হাজৰিকা | নিৱেদিতা ডেকা |
| | | আছমা ইয়াছমিন | আব্দুল মান্নান আহমেদ |
| | | আব্দুল মজিদ শ্বেখ | শিখা দাস ভূঞা |
| | | গায়ত্ৰী খাৰঘৰীয়া | গুল ৰৌশন আৰা বেগম |
| | | স্নেহা গগৈ | উৎপলা দাস |
| | | নন্দিতা তালুকদাৰ | বনশ্ৰী নাথ |
| | | ব্ৰজেন বৈশ্য | ছন্দামিতা ৰায় |

**Printed :** Olympia Prakashan, Rajgarh Road, 6th Byelane, House No.1, Guwahati-03
Ph.: 98641-55788, 98540-20146, e-mail: olympia.pub14@gmail.com, Website: olympiasports.in
**Designed by :** Kamal K Sarmah, 97072-66367

# দগো ৰাংছাং গৱেষণা সমিতিৰ জন্মকথা...

সেয়া ২০১১ খ্ৰীষ্টীয় চন। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ কৃতী অধ্যাপক তথা অসমৰ ভাষা-সংস্কৃতিৰ অন্যতম চৰ্চাকাৰী গৱেষক-পণ্ডিত ড° উপেন ৰাভা হাকাচাম ছাৰৰ জালুকবাৰীৰ বিশ্ববিদ্যালয় চৌহদস্থিত 'দগো ৰাংছাং' আৱাসত ছাৰৰ পৰিয়ালৰ পৃষ্ঠপোষকতাত তেওঁৰ গৱেষক-শিক্ষাৰ্থীসকলে সৌজন্যমূলকভাৱে ২ জানুৱাৰী তাৰিখে ড° ৰাভা ছাৰৰ ৫০ বছৰীয়া জন্মদিন পালন কৰে। ইয়াৰ পাছতেই তেওঁৰ তত্ত্বাৱধানত গৱেষণা কৰা মহাবিদ্যালয়ৰ শিক্ষক, বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী আৰু শুভাকাংক্ষীসকলে লগ লাগি তেওঁৰ জন্মদিন ২ জানুৱাৰী তাৰিখটো 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ উদ্যোগত 'সৰলতাৰ দিন' হিচাপে পালন কৰিবলৈ মনস্থ কৰে। নিৰ্দিষ্ট সংবিধানৰ অধীনত পৰিচালিত হোৱা এই গৱেষণা সমিতিখন ইতিমধ্যে অসম চৰকাৰৰ চৰকাৰী আইনৰ অধীনস্থ পঞ্জীয়নভুক্ত এটি সংস্থা। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা, বিকাশ, গৱেষণাই মূলতঃ কৰ্ম পদ্ধতি হোৱা এই গৱেষণা সমিতিখনে এতিয়া প্ৰতি বছৰে সম্পূৰ্ণ বিদ্যায়তনিক ৰূপত ড° উপেন ৰাভা হাকাচাম ছাৰৰ জন্মদিন ২ জানুৱাৰী তাৰিখটো নিৰ্দিষ্ট কোনো মহাবিদ্যালয়, ৰাজহুৱা স্থান বা বিদ্যায়তনিক ক্ষেত্ৰ আদিত 'সৰলতাৰ দিন' হিচাপে পালন কৰি তাত অসম-ভাৰতৰ জাতীয় জীৱন সম্পৃক্ত কৰা আলোচনা চক্ৰ, নিৰ্দিষ্ট গ্ৰন্থ উন্মোচন, দগো ৰাংছাং গৱেষণা পত্ৰিকা উন্মোচন, সাহিত্য-সমাজ জীৱনলৈ অৱদান আগবঢ়োৱা ব্যক্তি বিশেষক সম্বৰ্ধনা জ্ঞাপন আৰু প্ৰেৰণা প্ৰদান, প্ৰীতি মেল আদিৰ আয়োজনেৰে দিনটো উদ্‌যাপন কৰি আহিছে। এই অনুষ্ঠানটিত ইতিমধ্যে অসমৰ লব্ধ প্ৰতিষ্ঠিত গৱেষক-পণ্ডিত তথা বিদ্যানুৰাগী অনেকেই নিৰ্দিষ্ট বিষয়ক বক্তৃতা প্ৰদান কৰি গৱেষণা সমিতিৰ কৰ্ম পদ্ধতিক সাকাৰ ৰূপ দিছে। মূলতঃ অসমৰ বৈচিত্ৰ্যধৰ্মী জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাৰ এখনি সু-বিস্তৃত গৱেষণা মঞ্চ তৈয়াৰ কৰি তাৰ মাধ্যমেদি এদল গৱেষক কৰ্মীৰ সৃষ্টিৰে ভাষা-সংস্কৃতিৰ ন ন দিশ উন্মোচন কৰাত ব্ৰতী হোৱাৰ লক্ষ্যেৰে সৃষ্ট এই দগো ৰাংছাং গৱেষণা সমিতিয়ে ইতিমধ্যে অতি কম সময়ৰ ভিতৰতে 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' (১-৭), 'ভাষাবৈজ্ঞানিক অধ্যয়নত 'তুলনা' প্ৰসংগ', 'অসমৰ লোক-কলা', 'অসমৰ জনগোষ্ঠীয় লোক-চিকিৎসা', 'অসমৰ জনগোষ্ঠীয় নাৰীৰ সাজ-পাৰ আৰু অলংকাৰ', 'ভাষা সাহিত্য সংস্কৃতিৰ সমীক্ষা', 'অসমৰ মুছলমান সম্প্ৰদায় ঃ সমন্বয় আৰু সমাহৰণ', 'ড° উপেন ৰাভা হাকাচামৰ প্ৰবন্ধ চানেকি' প্ৰভৃতি গ্ৰন্থৰ সৃষ্টি-প্ৰকাশৰ জৰিয়তে অসমৰ ভাষা-সংস্কৃতিৰ গৱেষণা ক্ষেত্ৰখনলৈ এক নতুনত্বৰ সন্দেদ প্ৰদান কৰা বুলি ক'ব পাৰি। অৱশ্যে ইয়াৰ সফলতাৰ কথা সদৰী কৰিব অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ পথাৰত বিচৰণ কৰা বিদ্বৎ সমাজে। যা হওক, অসমৰ সাহিত্য-সংস্কৃতি, সমন্বয়-সংহতিৰ হকে কাম কৰাই আমাৰ লক্ষ্য আৰু ব্ৰত। আমি ইতিমধ্যে প্ৰতি বছৰে জুলাই আৰু জানুৱাৰী মাহত 'দগো ৰাংছাং গৱেষণা পত্ৰিকা' প্ৰকাশ কৰি আহিছোঁ। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত এই গৱেষণা পত্ৰিকাখনিয়ে অসমৰ বিদ্বৎ সমাজত স্বীকৃতি বুটলিবলৈ সক্ষম হোৱাত আমি অতি আনন্দিত। খ্ৰীষ্টীয় ২০১৬ চনত বকোস্থিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা 'উত্তৰ-পূৰ্বাঞ্চলৰ তুলনামূলক ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যয়ন' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰত প্ৰায় ডেৰ শতাধিক গৱেষক-শিক্ষাৰ্থী, অধ্যাপকে অংশগ্ৰহণ কৰি তেওঁলোকৰ গৱেষণা পত্ৰ পাঠ কৰা আৰু বিশেষজ্ঞ পণ্ডিতসকলৰ দ্বাৰা সেইবোৰ আলোচিত হোৱা কাৰ্যবোৰ আছিল আমাৰ বাবে যথেষ্ট আশাপ্ৰদ আৰু সপোন সাকাৰ হোৱা আনন্দৰ বন্যা। ইয়াতে উল্লেখ থাকে 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ সদস্যসকলৰ দান-বৰঙণিৰে এই অনুষ্ঠানৰ কৰ্ম, চিন্তা, প্ৰচাৰ-প্ৰকাশ আদি কাৰ্য অবিৰতভাৱে চলি আছে। দহোটা বছৰ অতিক্ৰম কৰিলে যদিও তেনেই চালুকীয়া অনুষ্ঠান 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ লক্ষ্য-উদ্দেশ্যৰ পূৰ্ণ বা পূৰ্ণাংগ ৰূপ পাবলৈ এতিয়াও বহু যোজন দূৰত। তথাপিও আমাৰ শক্তি-সামৰ্থ্যৰে অসমৰ বৈচিত্ৰ্যৰে ভৰা সমাজখনৰ সমাজ-সংস্কৃতি-ভাষা-সাহিত্যৰ যৎকিঞ্চিত কামো যদি আমি কৰিব পাৰিছোঁ, সেয়াই আমাৰ আনন্দ, সেয়াই আমাৰ সাৰ্থকতা। ইয়াৰ বাবে ভাষা-সাহিত্য-সংস্কৃতিপ্ৰেমীসকলৰ পৰা বিচাৰিছোঁ অশেষ শুভেচ্ছা আৰু একাজলি আশীৰ্বাদ।

।। জয়তু দগো ৰাংছাং গৱেষণা সমিতি ।। জয়তু ভাষা জননী ।।

গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ, জালুকবাৰী
২৬ ডিচেম্বৰ, ২০১৯ খ্ৰীষ্টাব্দ

**শ্ৰী অংশুমান দাস**
সম্পাদক, 'দগো ৰাংছাং গৱেষণা সমিতি'

# সম্পাদকৰ একলম...

খ্ৰীষ্টীয় ২০১০ চনত কাগজ-কলমে জন্ম লাভ কৰা 'দগো ৰাংছাং গৱেষণা সমিতি'খন আনুষ্ঠানিকভাৱে কাৰ্যকৰী হোৱাকৈ ২০১১ চনৰ পৰা কাম-কাজ আৰম্ভ কৰে। তেতিয়াৰে পৰা অবিৰতভাৱে বিভিন্ন কাৰ্যসূচীৰ সৈতে কাম কৰি অহা এই সমিতিখন বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি আহি আজি এটা দশক সম্পূৰ্ণ কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদস্থিত অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ আবাসগৃহৰ নামেৰে নামকৰণ হোৱা 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ জন্ম হয় তেওঁৰ তত্ত্বাৱধানত গৱেষণা কৰিবলৈ অহা এদল গৱেষকৰ হাতত। 'দগো ৰাংছাং' অৰ্থাৎ 'উদিত সূৰ্য'। হয়, সমিতিখনৰ ১০ বছৰীয়া কাৰ্যই সঁচাকৈয়ে উত্তৰ-পূৰ্বাঞ্চলৰ গৱেষণাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে বুলি ক'ব পাৰি। অসম চৰকাৰৰ চৰকাৰী আইনৰ অধীনত পঞ্জীয়নভুক্ত এই সমিতিখনে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ—

১। নৱ প্ৰজন্মৰ মাজত অধ্যয়ন আৰু গৱেষণাৰ মানসিকতা গঢ়ি তোলা, গৱেষণাৰ মান উন্নীতকৰণৰ ক্ষেত্ৰত সদা তৎপৰ হোৱা।

ক) বছৰেকীয়া/ছমহীয়া ভিত্তিত 'দগো-ৰাংছাং গৱেষণা পত্ৰিকা' নামেৰে এখন পত্ৰিকাৰ প্ৰকাশৰ ব্যৱস্থা কৰা।

খ) সময় সাপেক্ষে একোখন ৰাষ্ট্ৰীয় নতুৱা আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰা।

২। জনকল্যাণকামী চৰকাৰী প্ৰকল্পসমূহ (বিদ্যায়তনিক) কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা।

৩। সমগোত্ৰীয় আন সংস্থাসমূহ (CIIL, অসম সাহিত্য সভা, অসম ভাষা বিজ্ঞান সমিতি ইত্যাদিৰ দৰে) সৈতে যোগাযোগ আৰু সেই সংস্থাসমূহৰ আৰ্হি গ্ৰহণেৰে গৱেষণাৰ নৱ পদক্ষেপ গ্ৰহণ কৰা।

৪। অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ মাজত সৌজন্যমূলক সহৃদয়তা প্ৰদৰ্শন কৰা আৰু তেওঁলোকৰ মাজলৈ গৈ সৌহাৰ্দ্যপূৰ্ণ মত বিনিময়ৰ জৰিয়তে ঐক্য-সম্প্ৰীতিৰ ভাৱ গঢ়ি তোলাৰ লগতে তেওঁলোকক বিভিন্ন দিশত উৎসাহিত কৰা।

৫। সতীৰ্থসকলৰ মাজত পাৰস্পৰিক সহযোগিতা সুদৃঢ় কৰাৰ মানসাৰ্থে সুখ-দুখৰ সমভাগী হোৱা আৰু পাৰিলে বছৰেকত একোবাৰ পাৰিবাৰিক প্ৰীতি মেলৰ আয়োজন কৰা।

৬। সমিতিয়ে সমগোত্ৰীয় আন সংস্থা বা প্ৰতিষ্ঠানৰ সৈতে যৌথভাৱে বিভিন্ন প্ৰান্তত মুখ্য পৃষ্ঠপোষক ড° উপেন ৰাভা হাকাচামৰ জন্ম দিনটোক (২ জানুৱাৰী) প্ৰতিবছৰে 'সৰলতাৰ দিন' নামেৰে উদ্‌যাপন কৰা আৰু সেই বিশেষ দিনটোত একোজন গুণী ব্যক্তিক মনোনয়নৰ মাজেদি সম্বৰ্দ্ধনা জনোৱা আৰু একোগৰাকী বিশেষজ্ঞ/সমল ব্যক্তিৰ দ্বাৰা বিশেষ বিষয়ক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা।

সদস্যসকলৰ মনৰ দিগন্ত প্ৰসাৰিত কৰা আদি লক্ষ্য আৰু উদ্দেশ্য পূৰণাৰ্থে— গৱেষণাৰ মাধ্যমেৰে নব্য-নতুন চিন্তাধাৰাৰে এক শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ নিমিত্তে সৃষ্ট এই সমিতিখনে যোৱা দহোটা বছৰে চৰকাৰী কোনো সাহায্য নোপোৱাকৈ কেৱল সমিতিৰ সদস্যসকলে দিয়া দান-বৰঙণিৰে প্ৰতিবছৰে দুখনকৈ গৱেষণা পত্ৰিকা (সমিতিৰ মুখপত্ৰ 'দগো ৰাংছাং গৱেষণা পত্ৰিকা) প্ৰকাশ কৰি আহিছে। ইয়াৰোপৰি, অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ জীৱন আৰু কৃতিৰ আধাৰত নিৰ্মিত 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা'(১-৭)-কে ধৰি সমিতিৰ উদ্যোগত ইতিমধ্যে কেইবাখনো গৱেষণাধৰ্মী গ্ৰন্থৰ সৃষ্টি হৈছে। সমিতিখনে প্ৰতিবছৰে ড° হাকাচামৰ জন্মদিন ২ জানুৱাৰী তাৰিখটো অসমৰ বিভিন্ন মহাবিদ্যালয়, ৰাজহুৱা স্থান বা বিদ্যায়তনিক ক্ষেত্ৰ আদিত 'সৰলতাৰ দিন' হিচাপে পালন কৰি আহিছে। তদুপৰি, এই দিনটোৰ লগত সংগতি ৰাখি প্ৰতিবছৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জাতীয় জীৱন সম্পৃক্ত কৰা একো একোটা নতুন নতুন বিষয়ত অভিজ্ঞ বক্তাৰ দ্বাৰা বক্তৃতানুষ্ঠান পতা, গৱেষকসকলৰ দ্বাৰা সৃষ্ট গৱেষণাধৰ্মী গ্ৰন্থ উন্মোচন কৰা আদি কাৰ্যসূচীৰ বাহিৰেও অসমৰ ভাষা-সাহিত্য-সংস্কৃতি তথা সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা অথচ স্বীকৃতি নোপোৱা ব্যক্তি বিশেষক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰীতি মেল আদিৰ আয়োজনেৰে দিনটো উদ্‌যাপন কৰি আহিছে। দগো ৰাংছাং গৱেষণা সমিতিয়ে যোৱা এটা দশকজুৰি কৰি অহা কাৰ্যাৱলীৰ প্ৰতিবেদনখন ৰাইজলৈ আগবঢ়ালোঁ। আশা কৰিছোঁ ৰাইজে আন্তৰিকতাৰে আঁকোৱালি লৈ আমাক দিহা-পৰামৰ্শ আৰু শুভাশিষ দিয়াৰ লগতে সহযোগিতা কৰি কৃতাৰ্থ কৰিব।

গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ, জালুকবাৰী
২৭ ডিচেম্বৰ, ২০১৯ খ্ৰীষ্টাব্দ

**আব্দুল মজিদ শ্বেখ**
সম্পাদক

## দগো ৰাংছাং-ত 'সৰলতাৰ দিন' উদ্‌যাপন ❑ ২ জানুৱাৰী, ২০১১, গুৱাহাটী

# দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ ৫০তম জন্মদিনটো গুৱাহাটী বিশ্ববিদ্যালয় চৌহদস্থিত আৱাস গৃহ নং-৭৫ 'দগো ৰাংছাং' প্ৰাঙ্গণত পোন প্ৰথমবাৰৰ বাবে 'সৰলতাৰ দিন' ৰূপে পালন

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষক-পণ্ডিত তথা কৃতি অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ ৫০ সংখ্যক জন্মদিনটো প্ৰথমবাৰৰ বাবে তেওঁৰ গুণমুগ্ধ গৱেষক ছাত্ৰ-ছাত্ৰী, পৰিয়ালবৰ্গৰ লগতে সতীৰ্থ তথা বন্ধু-বান্ধৱীৰ উপস্থিতিত নিজা বাসভৱন 'দগো ৰাংছাং'ত অনুষ্ঠিত কৰে। অনুষ্ঠানটোত পৌৰোহিত্য কৰে বিশিষ্ট লোক-সংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাস আৰু আঁত ধৰে অধ্যাপক খগেন তালুকধাৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সংগীত বিভাগৰ সম্পাদক ভোলানাথ ভকতে এটা বৰগীত পৰিৱেশন কৰে। অনুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° দীপ্তি ফুকন পাটগিৰি, ড° বিভা ভৰালী, ড° এম কামালুদ্দিন আহমেদকে আদি কৰি কেইবাগৰাকী বক্তাই ভাষণ প্ৰসংত ড° হাকাচামৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰাৰ লগতে তেওঁৰ সহজ-সৰল ব্যক্তিত্বই সাধাৰণ মানুহ, ছাত্ৰ-ছাত্ৰী তথা গৱেষক-সহকৰ্মীক কিদৰে মোহিত আৰু উৎসাহিত কৰি আহিছে তাৰ আলোকপাত কৰে আৰু উদ্যোক্তাসকলে জন্মদিনটো 'সৰলতাৰ দিন' ৰূপে পালন কৰাৰ যথাৰ্থতা তাতেই ফুটি উঠিছে বুলি কয়। সম্বৰ্ধনা গ্ৰহণ কৰি ড° হাকাচামে তেওঁৰ শৈশৱ আৰু গ্ৰাম্য জীৱনৰ সহজ-সৰল জীৱনৰ চিত্ৰখন দাঙি ধৰি শৈশৱ কালত অসমীয়া ভাষা ক'ব নজনা ব্যক্তি এজনে কেনেকৈ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী হ'ল, তাৰ সুদীৰ্ঘ পৰিক্ৰমা দাঙি ধৰে। ৫০ সংখ্যক জন্মদিৱসতে তেওঁ **'বিক্ষিপ্ত জীৱনৰ প্ৰক্ষিপ্ত ঘটনা'** শীৰ্ষক আত্মজীৱনী লিখাৰ সংকল্পৰ কথা দোহাৰে।◆◆




প্ৰথম 'সৰলতাৰ দিন'ত গৱেষক ছাত্ৰ-ছাত্ৰীসকলে ড° হাকাচামলৈ দিয়া অভিনন্দন পত্ৰ



**অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ জন্মদিনক 'সৰলতাৰ দিন' ৰূপে পালন**

মহানগৰৰ বিশেষ প্ৰতিবেদক, ৩ জানুৱাৰী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ ৫০সংখ্যক জন্মদিনটো কালি তেওঁৰ গুণমুগ্ধসকলে ড° হাকাচামৰ বাসভৱনত দগো ৰাংছাংত 'সৰলতাৰ দিন' ৰূপে উদযাপন কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত পৌৰোহিত্য কৰে বিশিষ্ট লোক-সংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাসে আৰু আঁত ধৰে অধ্যাপক খগেন তালুকদাৰে। অনুষ্ঠানত এটা বৰগীত পৰিৱেশন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সংগীত বিভাগৰ সম্পাদক ভোলানাথ ভকতে। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° দীপ্তি ফুকন পাটগিৰি, ড° বিভা ভৰালী, ড° কামালুদ্দিন আহমেদ, ড° বিমল কুমাৰ মজুমদাৰ, ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠ, ড° প্ৰফুল্ল নাথ, ড° লক্ষ্মী হাজৰিকা, ড° ইকবাল আলী, হৃদয়ানন্দ গগৈ, লিপিকা হাজৰিকাকে ধৰি কেইবাজনো বক্তাই ভাষণ প্ৰসংগত ড° হাকাচামৰ দীৰ্ঘায়ু কামনা কৰি তেওঁৰ সহজ-সৰল ব্যক্তিত্বই সাধাৰণ মানুহ, ছাত্ৰ-ছাত্ৰী, গৱেষক-সহকৰ্মীক কেনেকৈ মোহিত আৰু উৎসাহিত কৰি আহিছে, তাৰ আলোকপাত কৰে আৰু উদ্যোক্তাসকলে জন্মদিনটোক 'সৰলতাৰ দিন' ৰূপে পালন কৰাৰ যথাৰ্থতা তাতেই ফুটি উঠিছে বুলি কয়। সম্বৰ্ধনা গ্ৰহণ কৰি ড° উপেন ৰাভা হাকাচামে তেওঁৰ শৈশৱ আৰু গ্ৰাম্য জীৱনৰ সহজ-সৰল জীৱনৰ চিত্ৰখন দাঙি ধৰি শৈশৱকালত অসমীয়া ভাষাটোকে ক'ব নজনা লোক এজনে কেনেকৈ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী হ'ল, তাৰ সুদীৰ্ঘ পৰিক্ৰমা দাঙি ধৰে। ৫০সংখ্যক জন্মদিনটোত তেওঁ 'বিক্ষিপ্ত জীৱনৰ প্ৰক্ষিপ্ত ঘটনা' শীৰ্ষক আত্মজীৱনী লিখাৰ সংকল্পৰ কথা দোহাৰে।

প্ৰকাশ ঃ আমাৰ অসম, ৪ জানুৱাৰী, ২০১১ (মঙলবাৰ)

**২ জানুৱাৰী, ২০১২, গুৱাহাটী**

# দগো ৰাংছাং-ত 'সৰলতাৰ দিন' উদ্‌যাপন



'দগো ৰাংছাং'ত উদ্‌যাপিত ড° হাকাচামৰ ৫২তম জন্ম দিৱসৰ এটি মুহূৰ্ত

দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত যোৱা বছৰৰ দৰে এইবেলিও অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ ৫১সংখ্যক জন্মদিনটো গুৱাহাটী বিশ্ববিদ্যালয় চৌহদস্থিত আৱাস গৃহ নং-৭৫ 'দগো ৰাংছাং' প্ৰাঙ্গণত দ্বিতীয়বাৰৰ বাবে 'সৰলতাৰ দিন' ৰূপে পালন কৰা হয়। নিজ বাসভৱন 'দগো ৰাংছাং'-ত অনুষ্ঠিত এই সভাত দগো ৰাংছাং গৱেষণা সমিতিৰ সভাপতি-সম্পাদক সমন্বিতে সমূহ সদস্যবৃন্দকে আদি কৰি গৱেষক, সতীৰ্থ তথা নিজ পৰিয়ালৰ্গৰ উপৰিও অন্যান্য ভালেসংখ্যক ব্যক্তিয়ে উপস্থিত থাকি তেওঁক জন্মদিনৰ ওলগ জনোৱাৰ লগতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। তদুপৰি, উক্ত সভাত 'সৰলতাৰ দিন'টো আগন্তক দিনত বিভিন্ন কাৰ্যসূচীৰ সৈতে অসমৰ বিভিন্ন প্ৰান্ততলৈ লৈ যোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰোপৰি, ২০১৩ চনত অনুষ্ঠিত হ'বলগীয়া 'সৰলতাৰ দিন'ত ড° উপেন ৰাভা হাকাচামৰ জীৱন আৰু কৃতিৰ আধাৰত 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰো সিদ্ধান্ত লোৱা হয়।◆◆

# বিশ্বৰ দিৱসসমূহত 'সৰলতাৰ দিন'ৰ স্থান



**২ জানুৱাৰী, ২০১৩, মৰিগাঁও**

# মৰিগাঁও জিলা সাংবাদিক সংস্থা ভৱনত ‘সৰলতাৰ দিন’ উদ্‌যাপন



মৰিগাঁৱত অনুষ্ঠিত ‘সৰলতাৰ দিন’ৰ এটি সোণোৱালী মুহূৰ্ত

**বি**শিষ্ট লোক-সংস্কৃতিবিদ, ভাষাবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ ৫২তম জন্মদিনটো প্ৰথমবাৰৰ বাবে বাসভৱনৰ বাহিৰত ৰাজহুৱা মঞ্চত ‘সৰলতাৰ দিন’ হিচাপে মৰিগাঁও জিলা সাংবাদিক সংস্থা ভৱনত অনুষ্ঠিত হয়। দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সহযোগত অনুষ্ঠিত এই ব্যতিক্ৰমধৰ্মী অনুষ্ঠানটিত **‘সৰলতাই জনজাতীয় লোকৰ আভূষণ’** শীৰ্ষক বিষয়ত এক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে মৰিগাঁও অঞ্চলৰ বিশিষ্ট সাহিত্যিক তথা সংস্কৃতিৰ গৱেষক মনেশ্বৰ দেউৰীয়ে। ‘সৰলতাৰ দিন’ৰ লগত সংগতি ৰাখি নামনি অসমত শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়োৱা শ্ৰীযুত সতীশ চন্দ্ৰ নাথক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, ড° ৰাভাৰ জন্মদিন উপলক্ষে প্ৰকাশ কৰা **‘বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা’ (প্ৰথম সংখ্যা)** নামৰ গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ অৱসৰপ্ৰাপ্ত সচিব ড° প্ৰবীণ চন্দ্ৰ দাসে। সভাত সকলোৱে ড° হাকাচামক জন্মদিনৰ ওলগ জনোৱাৰ লগতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি অনুষ্ঠানটিৰো শলাগ লয়।◆◆



## ‘Simplicity Day’ observed at Morigaon

CORRESPONDENT

MORIGAON, Jan 3 – The 53rd birthday of Dr Upen Rabha Hakasam, head of the Assamese department, Gauhati University, was observed as ‘Simplicity Day’ on January 2 at Morigaon Press Club here.

Under the auspices of Dogu-Rangsang Research Society, January 2 is observed as ‘Simplicity Day. On the occasion, a seminar on the topic, ‘Simplicity is the main quality of tribal people’ was organised in which Maneswar Deori, noted researcher of Tiwa language, delivered the keynote lecture.

From the chair, Dr Irshad Ali, former head of the department of Anthropology, Gauhati University, said that problems or issues of tribal people in India were being politicised. Referring to the remarks of former Lok Sabha Speaker PA Sangma, Dr Ali said that all the information produced and published by the Government of India was wrong or distorted. Dr Ali said that there is a custom prevailing in the tribal society where one can get help at the time of distress. But, how long will the tribal people remain simple? he asked.

In the function, two books of Dr Rabha Hakasam – *Bhasa Sahityar Drasta, Srastra Aru Samaj Nirmata* and *Bornil Jibonor Swarnil Abha* – and one book of Dr Angsuman Das, *Tiwa Sadhu* were released by Dr Irshad Ali.

The meeting was also addressed by Birinchidhar Buragohain and Ashok Deka, both educationists of Morigaon.

**Published: The Assam Tribune, Friday, 4th January, 2013**




‘বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা’ৰ (প্ৰথম সংখ্যা)ৰ বেটুপাত

**২ জানুৱাৰী, ২০১৪, মিৰ্জা, গুৱাহাটী**

# দক্ষিণ কামৰূপ মহাবিদ্যালয়ত 'সৰলতাৰ দিন' উদ্‌যাপন



'সৰলতাৰ দিন' উদ্‌যাপনৰ মঞ্চত বিশিষ্ট অতিথিসকলৰ সৈতে ড° হাকাচাম

অইন অইন বছৰৰ দৰে ২০১৪বৰ্ষতো দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সহযোগত ভাষা-সংস্কৃতিৰ বিশিষ্ট গৱেষক-পণ্ডিত ড° উপেন ৰাভা হাকাচামৰ ৫২ সংখ্যক জন্মদিনটো 'সৰলতাৰ দিন' হিচাপে মিৰ্জাস্থিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। অনুষ্ঠানটোত অসমৰ বিশিষ্ট চিন্তাবিদ-সাহিত্যিক তথা নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° খৰ্গেশ্বৰ ভূঞাই **'সৰলতাই সফলতাৰ মূল চাবি-কাঠি'** শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। তদুপৰি, উক্ত দিৱসৰ লগত সংগতি ৰাখি অসমৰ স্বমহিমামণ্ডিত সাহিত্যৰাজিক সৰ্বভাৰতীয় পৰ্যায়লৈ লৈ যোৱা অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক ড° দেৱেন দাসক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে, সেইদিনা 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' (২য়) শীৰ্ষক এখনি গ্ৰন্থ আৰু দগো ৰাংছাং গৱেষণা সমিতিৰ গৱেষণা পত্ৰিকা **'দগো ৰাংছাং' (প্ৰথম সংখ্যা)** উন্মোচন কৰে।◆◆



মিৰ্জাত 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' উন্মোচনৰ এটি বিশেষ মুহূৰ্ত




'দগো ৰাংছাং' গৱেষণা পত্ৰিকা (প্ৰথম সংখ্যা)ৰ বেটুপাত

## ২ জানুৱাৰী, ২০১৫, গোগামুখ, ধেমাজি

# গোগামুখ ৰাজহুৱা প্ৰেক্ষাগৃহত 'সৰলতাৰ দিন' উদ্‌যাপন




গোগামুখত উদ্‌যাপিত 'সৰলতাৰ দিন'ত উপস্থিত সতীৰ্থ তথা গৱেষকসকলৰ সৈতে ড° হাকাচাম

দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু গোগামুখৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান নবীন চন্দ্ৰ দলে মহাবিদ্যালয়ৰ সহযোগত ২০১৫ বৰ্ষৰ ২ জানুৱাৰী তাৰিখে ড° উপেন ৰাভা হাকাচামৰ ৫৪তম জন্ম দিৱস 'সৰলতাৰ দিন' ৰূপে গোগামুখ ৰাজহুৱা প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। এন চি ডি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠনটিৰ বন্তি প্ৰজ্বলন কৰে ড° হাকাচামে। সমিতিৰ স্থায়ী সভাপতি ড° ললিত চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি দগো ৰাংছাং গৱেষণা সমিতিৰ সম্পাদক ড° অংশুমান দাসে সমিতিৰ লক্ষ্য-উদ্দেশ্যৰ বিষয়েও আলোকপাত কৰে। অনুষ্ঠানটিত বিহপুৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰবীণ শইকীয়াই ড° হাকাচামৰ জীৱন আৰু কৰ্মৰ ওপৰত আধাৰিত 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰাৰ লগতে **'অসমীয়া লোকসাহিত্য আৰু লোকভাষাত অসমৰ প্ৰকৃতি'** শীৰ্ষক বিষয়ত এক মনোজ্ঞ গৱেষণামূলক বক্তৃতা প্ৰদান কৰে। তদুপৰি 'সৰলতাৰ দিন'ৰ লগত সংগতি ৰাখি বিশিষ্ট সাহিত্যিক তথা সাহিত্যিক পেঞ্চনাৰ উমেশ চেতিয়াক তেওঁৰ কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে তেওঁৰো জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতো পূৰ্বৰ দৰে 'দগো ৰাংছাং গৱেষণা পত্ৰিকা'ৰ লগতে 'অসমীয়া ভাষাৰ গঠন ঃ ঐতিহ্য আৰু ৰূপান্তৰ' শীৰ্ষক গ্ৰন্থকে ধৰি কেইবাখনো গৱেষণাধৰ্মী গ্ৰন্থ উন্মোচন কৰা হয়।◆◆



গোগামুখত উদ্‌যাপিত 'সৰলতাৰ দিন'ত কেক্ কটাৰ এটি বিশেষ মুহূৰ্তত ড° হাকাচাম

**২ জানুৱাৰী, ২০১৬, ফৰকাটিং, গোলাঘাট**

# ফৰকাটিং কনিষ্ঠ মহাবিদ্যালয়ত 'সৰলতাৰ দিন' উদ্‌যাপন

২৫-১০-২০১৫ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত দগো ৰাংছাং গৱেষণা সমিতিৰ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত মৰ্মে ২০১৬ বৰ্ষৰ ২ জানুৱাৰী তাৰিখে ড° উপেন ৰাভা হাকাচাৰ ৫৫তম জন্ম দিৱস ফৰকাটিং কনিষ্ঠ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। উক্ত সভাত '**অসমীয়া ভাষাৰ বানানৰ সৰলীকৰণ**' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই। সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক পদ্মেশ্বৰ গগৈ আৰু বিশিষ্ট সংগীত শিল্পী বাবুল নাগক তেওঁলোকৰ কৰ্মৰাজি তথা অনবদ্য সেৱাৰ স্বীকৃতি স্বৰূপে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি, উক্ত অনুষ্ঠানত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকাই সৰলতা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে।◆◆



## ড° উপেন ৰাভা হাকাচামৰ জন্মদিন উদ্‌যাপনৰ প্ৰস্তুতি

প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২১ নৱেম্বৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা ভাষা-সংস্কৃতিৰ গৱেষক-পণ্ডিত ড° উপেন ৰাভা হাকাচামৰ ৫৫ সংখ্যক জন্মদিনটো (২০১৬ বৰ্ষৰ ২ জানুৱাৰী) সৰলতাৰ দিন হিচাপে গোলাঘাটৰ ফৰকাটিং মহাবিদ্যালয়ত উদ্‌যাপন কৰা হ'ব। দগো-ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আয়োজিত অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিতব্য 'অসমীয়া ভাষাৰ বানানৰ সৰলীকৰণ' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই। অনুষ্ঠানত বিশিষ্ট উদ্ভিদ বিজ্ঞানী, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পদ্মেশ্বৰ গগৈ আৰু বিশিষ্ট সংগীত শিল্পী বাবুল নাগক সম্বৰ্ধনা জনোৱা হ'ব। দগো-ৰাংছাং গৱেষণা সমিতিৰ দ্বাৰা প্ৰকাশ কৰা গৱেষণা পত্ৰিকা, শুভেচ্ছামূলক গ্ৰন্থ আৰু অন্য কেইখনমান গ্ৰন্থও অনুষ্ঠানতে উন্মোচন কৰা হ'ব বুলি গৱেষণা সমিতিৰ সভাপতি ড° ললিত চন্দ্ৰ ৰাভা আৰু সম্পাদক ড° অংশুমান দাসে জনাই দিছে।

প্ৰকাশ ঃ অসমীয়া প্ৰতিদিন, ২১ নৱেম্বৰ, ২০১৫ (দেওবাৰ)




ফৰকাটিং জুনিয়ৰ কলেজত 'সৰলতাৰ দিন' উদ্‌যাপনত উপস্থিত শিক্ষাৰ্থী, গৱেষক আৰু ৰাইজৰ সৈতে ড° হাকাচাম

**২২ আৰু ২৩ অক্টোবৰ, ২০১৬,**
**জে. এন. কলেজ, বকো**

# দগো ৰাংছাং-ৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ

দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু দক্ষিণ কামৰূপ বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত **'উত্তৰ-পূব ভাৰতৰ ভাষা, সাহিত্য আৰু সংস্কৃতি'** শীৰ্ষক মূল বিষয় আৰু কেইবাটাও উপবিষয়ক লৈ ২২ আৰু ২৩ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। উক্ত দুদিনীয়া আলোচনা চক্ৰত বিভিন্ন বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ পৰা আমন্ত্ৰণ কৰি অনা অভিজ্ঞ নিৰীক্ষকসকলৰ (Expert's) তত্ত্বাৱধানত কেইবাটাও বৈঠকত (session) অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অহা প্ৰায় ডেৰ শতাধিক গৱেষক, অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ গৱেষণা পত্ৰ পাঠ কৰে।◆◆

বকো জবাহৰলাল নেহৰু কলেজত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

মত-অমত

সৰলতাৰ দিন উদ্‌যাপন

(Reg. NO. KAM-M/263/L/595 of 2015-16)

সভাপতি-সম্পাদক
দগো ৰাংছাং গৱেষণা সমিতি

**দগো ৰাংছাং গৱেষণা সমিতি**
গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ, গুৱাহাটী-১৪
**DOGO RANGSANG RESEARCH SOCIEYY**
GAUHATI UNIVERSITY CAMPUS, GUWAHATI-14

তাৰিখ ঃ ৬/১২/১৬

শোকবাৰ্তা

যোৱা পাঁচ ডিচেম্বৰ সোমবাৰে নিশা অসমৰ এগৰাকী বীৰৰ সাহিত্যিক, অৱসৰী শিক্ষক বীৰেন ৰাভাৰ আকস্মিক ভাবে (প্ৰায় এবছৰ ধৰি শয্যাশায়ী হৈ আছিল যদিও) মৃত্যু হয়। দক্ষিণ কামৰূপৰ শিংৰাৰ চুকনীয়াপাৰা গাঁৱত জন্ম লাভ কৰি শিক্ষকতা কৰাৰ উপৰিও তেওঁ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। অসম সাহিত্য সভাৰ লুকী সাহিত্য সভা,ৰাভা জাতীয় পৰিষদ, ৰাভা ভাষা পৰিষদ আদি অনুষ্ঠান গঢ় দিয়াত তেওঁৰ বৰঙণি আছিল অনবদ্য। তেওঁ ৰচনা কৰা গ্ৰন্থ কেতবোৰ হ'ল - 'লুকীৰ ইতিবৃত্ত(১৯৬৮)', 'দাতা-বিধাতাৰ বান্ধ' (১৯৮০), 'বহুৱৰী গীত ঃ ৰাভা জনজীৱনৰ প্ৰতিচ্ছবি' (২০০১), 'আইৰ গীত আৰু ৰাভা সমাজ' (১৯৯৬), 'ৰাভা জনজাতিৰ চমু আভাস' (১৯৯৮), ইত্যাদি। ইয়াৰোপৰি তেওঁৰ অপ্ৰকাশিত অৱস্থাত ভালেকেইটা গীত-কবিতা , নাটক- নাটিকা, চুটিগল্প আৰু প্ৰবন্ধ-নিবন্ধ ৰৈ গৈছে। অসমীয়া সাহিত্যলৈ আগবঢ়োৱা বৰঙণিৰ বাবে তেওঁক কামৰূপ জিলা সাহিত্য সভাৰ পৰা কামৰূপ-ৰত্ন উপাধিও প্ৰদান কৰা হৈছিল। মৃত্যুৰ আগ মুহূৰ্তলৈ তেওঁ দীৰ্ঘ বিশ বছৰতকৈ অধিক কাল ৰাভা ভাষা পৰিষদৰ সভাপতিৰ পদ অলংকৃত কৰি আছিল। এইজন বীৰৰ সাহিত্যিক আৰু সমাজ কৰ্মীৰ মৃত্যুত দগো ৰাংছাং গৱেষণা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে। লগতে তেওঁৰ বিদেহী আত্মাৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

ড° উপেন ৰাভা হাকাচাম
উপদেষ্টা
দগো ৰাংছাং গৱেষণা সমিতি

ড° ললিত চন্দ্ৰ ৰাভা
সভাপতি
দগো ৰাংছাং গৱেষণা সমিতি

ড° অংশুমান দাস
সম্পাদক
দগো ৰাংছাং গৱেষণা সমিতি

বীৰেন ৰাভাৰ বিয়োগত 'দগো ৰাংছাং' পৰিয়ালৰ তৰফৰ পৰা প্ৰেৰণ কৰা শোকবাৰ্তা

স্পষ্টীকৰণ ঃ 'সৰলতাৰ দিন' উদ্‌যাপন প্ৰসংগত
প্ৰকাশ ঃ অসমীয়া প্ৰতিদিন, ৮ নৱেম্বৰ, ২০১৬ (মঙলবাৰ)

## ২ জানুৱাৰী, ২০১৭, মৈৰাবাৰী, মৰিগাঁও

# মৈৰাবাৰী মহাবিদ্যালয়ত 'সৰলতাৰ দিন' উদযাপন



**Silver jubilee celebration of Moirabari College begins**

CORRESPONDENT

MORIGAON, Jan 3: The year-long silver jubilee celebration of Moirabari College got under way from Monday with a lot of enthusiasm. The Assamese Department of the college and Dogo Rangsang Research Society organised the inaugural function of the silver jubilee celebrations on Monday.

The programme began with the lighting of 25 earthen lamps by Dr Samsuddin Ahmed, Principal, Moirabari College. This was followed by flag hoisting by Dr Upen Rabha Hakasam, head of the Department of Assamese, Gauhati University. The programme was attended by several researchers of Assamese Department of Gauhati University, professors of Moirabari College, alumni as well as leading citizens of Moirabari area.

The academic session of the day began in the afternoon, when the birthday of noted researcher and Professor of Gauhati university Dr Upen Rabha Hakasam was observed as 'Saralatar Din'. In the function, as many as five valuable books written by several professors were released by the dignitaries present on the dais. The monthly magazine *Luit* of the Assamese Department of Moirabari College was also released by Dr Hakasam. In the function, noted researcher of Tiwa language and culture Maneswar Deori was felicitated.

Explaining the literary works of the Assamese Department of Moirabari College, Dr Angsuman Das, Head of the Department said that his department had produced several brilliant literary workers from the area in the last 25 years besides the topper in BA (Assamese Major) in 2001 under Gauhati University.

A seminar titled, 'Identity of Assamese Muslim (East-Bengal root): Crisis and Solution' was also held on the occasion. Delivering the keynote lecture noted columnist, Rezaul Karim presented an indepth description of Muslim community's assimilation process in the greater Assamese society. He appealed to the people of Assam not to stop the natural assimilation process in the formation of Assamese society.

The Muslim community of East Bengal root, has been playing a vital role in development and formation of Assamese language and culture since the time of British rule in Assam, he added.

**Published: The Assam Tribune, Wednessday, 4th January, 2017**

গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত ৭ নৱেম্বৰ ২০১৬ তাৰিখে অনুষ্ঠিত দগো ৰাংছাং গৱেষণা সমিতিৰ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্তমৰ্মে অইন অইন বছৰৰ দৰে ২০১৭ বৰ্ষৰ ২ জানুৱাৰী তাৰিখে মৈৰাবাৰী মহাবিদ্যালয়ত 'সৰলতাৰ দিন' (ড° হাকাচামৰ ৫৬তম জন্মদিন) উদ্‌যাপন কৰে। মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগে খ্ৰী. ২০১৭ বৰ্ষত গুৰু পাঠ্যক্ৰম খোলাৰ ২৫ বছৰ পূৰ্ণ কৰাৰ সুবাদতে বিভাগটোৱে বছৰজোৰা বিভিন্ন বিদ্যায়তনিক কাৰ্যসূচীৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয় চৌহদস্থিত দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত প্ৰতিবছৰে পালন কৰি অহা 'সৰলতাৰ দিন' উদ্‌যাপনেৰে বিভাগটোৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভ আৰম্ভণি কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছামছুদ্দিন আহমেদৰ সভাপতিত্বত আৰু ড° অংশুমান দাসে আঁত ধৰা উক্ত অনুষ্ঠানত বিশিষ্ট নিবন্ধকাৰ ডঃ ৰেজাউল কৰিমে **'বঙ্গমূলীয় অসমীয়া মুছলমানসকলৰ পৰিচয় ঃ সংকট আৰু সমাধান'** শীৰ্ষক বিষয়ত এক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে। তেওঁ বঙ্গমূলীয় অসমীয়া মুছলমানসকলৰ সমাজ-সাংস্কৃতিক দিশৰ চমু আভাস দিয়াৰ লগতে প্ৰব্ৰজনৰ ইতিহাস, পৰিচয় সংকট আৰু তাৰ সমাধান সূত্ৰ সম্পৰ্কে এক দীঘলীয়া বক্তব্য ৰখাৰ লগতে অসমত হিন্দু-মুছলমানৰ সমন্বয় সম্পৰ্কে কয় যে— 'ৰাজনীতিয়ে আশাৰ সমন্বয়কামী সমাজখন ধ্বংস কৰিছে। অসমৰ প্ৰত্যেকটো হিন্দু পৰিয়ালৰ এজনকৈ হ'লেও মুছলমান বন্ধু আছে। অসমৰ মুছলমানক আপদ নহয়, সম্পদ হিচাপে ব্যৱহাৰ কৰিলেহে অসম সমৃদ্ধিশালী হ'ব।' অনুষ্ঠানটোত ড° হাকাচামে তেওঁৰ ভাষণ প্ৰসংগত গৱেষকে গৱেষণা কৰোঁতে সন্মুখীন হোৱা সমস্যা আৰু জীৱনৰ তিতা-মিঠা অভিজ্ঞতাৰ কথা দোহৰাৰ লগতে ছাত্ৰ জীৱন আৰু শিক্ষকতা জীৱনৰ মধুৰ স্মৃতি ৰোমন্থন কৰি দৰ্শক-শ্ৰোতাক নষ্টালজিক কৰি তোলে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অংশুমান দাসে সম্পাদনা কৰি উলিওৱা বিভাগীয় বাৰ্তা 'লুইত' (২য় সংখ্যা)-ৰ লগতে দাসৰ স্বৰচিত গ্ৰন্থ 'সোঁৱৰণ আৰু শ্ৰদ্ধাঞ্জলী', ড° হাকাচামৰ জীৱন আৰু কৃতি বিষয়ক গ্ৰন্থ 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' (৫ম খণ্ড), ড° মালবিকা বাগলাৰীৰ 'বড়ো সমাজ আৰু সংস্কৃতি', ড° ৰত্নেশ্বৰ মিলি আৰু মমি শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি',-ৰ লগতে সমিতিৰ ছমহীয়া গৱেষণা পত্ৰিকা 'দগো ৰাংছাং' উন্মোচন কৰা হয়। তদুপৰি, সেই দিৱসৰ সৈতে ৰজিতা খুৰাই গৱেষক আৰু অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ মনেশ্বৰ দেউৰীক বিশেষ সম্বৰ্ধনা প্ৰদান কৰে।◆◆




**মৈৰাবাৰীত অনুষ্ঠিত 'সৰলতাৰ দিন'ত মঞ্চত বিশিষ্ট অতিথিসকলৰ সৈতে ড° হাকাচাম**

## ২ জানুৱাৰী, ২০১৮, গণেশগুৰি, গুৱাহাটী

# প্ৰাচ্য ভাৰতীত ‘সৰলতাৰ দিন’ উদযাপন




প্ৰাচ্য ভাৰতীত অনুষ্ঠিত ‘সৰলতাৰ দিন’ত ভাষণৰত অৱস্থাত ড° কনকসেন ডেকা

**বি**গত বছৰসমূহৰ দৰে ২০১৮ বৰ্ষতো দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু গণেশগুৰিস্থিত প্ৰাচ্য ভাৰতী শৈক্ষিক ন্যাসৰ সহযোগত প্ৰাচ্য ভাৰতী মহাবিদ্যালয় প্ৰাঙ্গণত (ড° উপেন ৰাভা হাকাচামৰ ৫৭ সংখ্যক জন্ম দিন) ‘সৰলতাৰ দিন’ হিচাপে উদ্‌যাপন কৰা হয়। সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাংবাদিক, সাহিত্যিক ড° কনকসেন ডেকাই **‘চহা জীৱনৰ সৰলতা বনাম নগৰীয়া জীৱনৰ কৃত্ৰিমতা**’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। ড° ডেকাই ভাষণ প্ৰসংগত কয় যে— ‘গ্ৰাম্য জীৱনৰ সৰলতাই হিংসা-সন্ত্ৰাস নাইকীয়া কৰিব পাৰে।’ এই ক্ষেত্ৰত ড° হাকাচামে বিশেষ ভূমিকা পালন কৰি আহিছে বুলিও ড° ডেকাই কয়। অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই কয় যে— ড° উপেন ৰাভা হাকাচামে সহজ-সৰল জীৱন-যাপনৰ মাজেৰে বহুতো উন্নতমানৰ কাম কৰি আহিছে। বিশেষকৈ উত্তৰ-পূব ভাৰতৰ ভাষা-সাহিত্য, সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত হাকাচামে অনন্য অৱদান আগবঢ়াইছে বুলি মন্তব্য আগবঢ়ায়। পৰম্পৰাগতভাৱে উক্ত অনুষ্ঠানতো সমিতিৰ গৱেষণা পত্ৰিকা ‘দগো ৰাংছাং’ উন্মোচন কৰা হয়। তদুপৰি, সভাত ড° উপেন ৰাভা হাকাচাম আৰু গৱেষক আব্দুল মজিদ শ্বেখৰ যুটীয়া সম্পাদনাত যুগুতাই উলিওৱা **‘অসমৰ মুছলমান সম্প্ৰদায় ঃ সমন্বয় আৰু সমাহৰণ**’ শীৰ্ষক ৭০০ পৃষ্ঠাযোৱা গৱেষণাধৰ্মী গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট কবি আনিছ-উছ-জামানে। আনহাতে, বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা’ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাংবাদিক অনুপম চক্ৰৱৰ্তীয়ে। ড° হাকাচামৰ জন্মদিনৰ লগত সংগতি ৰাখি আয়োজন কৰা এই ‘সৰলতাৰ দিন’ অনুষ্ঠানতে পূৰ্বৰ দৰে এইবাৰ বিশিষ্ট লোকসংস্কৃতিবিদ দয়াৰাম কাথাৰক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।◆◆



## গ্ৰাম্য জীৱনৰ সৰলতাই হিংসা-সন্ত্ৰাস নাইকিয়া কৰিব ঃ ডেকা

### ড° উপেন ৰাভা হাকাচামৰ জন্মদিন ‘সৰলতাৰ দিন’ ৰূপে উদ্‌যাপন

গুৱাহাটী, ৫ জানুৱাৰী ঃ ‘নগৰীয়া জীৱনৰ জটিলতাৰ বিপৰীতে গ্ৰাম্য জীৱনৰ সৰলতাই সমাজৰ হিংসা-সন্ত্ৰাস নাইকিয়া কৰিব পাৰে।’ এই মন্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাংবাদিক-সাহিত্যিক কনকসেন ডেকাৰ। ডেকাই লগতে এই ক্ষেত্ৰত বিশিষ্ট গৱেষক ড° উপেন ৰাভা হাকাচামে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও মন্তব্য কৰে। উল্লেখ্য যে গুৱাহাটীৰ গণেশগুৰিৰ প্ৰাচ্য ভাৰতী মহাবিদ্যালয় প্ৰাংগণত কালি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা বিশিষ্ট গৱেষক ড° উপেন ৰাভা হাকাচামৰ ৫৭ সংখ্যক জন্ম দিনটো সৰলতাৰ দিন হিচাপে উদ্‌যাপন কৰা হয়। ইয়াৰ ... পৃষ্ঠাত চাওক

প্ৰকাশ ঃ দৈনিক অগ্ৰদূত, ৫ জানুৱাৰী, ২০১১ (শুকুৰবাৰ)

## ২২ ডিচেম্বৰৰ পৰা ২ জানুৱাৰী, ২০১৮-১৯

# ৩১ সংখ্যক গুৱাহাটী গ্ৰন্থ মেলাত 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ অংশগ্ৰহণ

গ্ৰন্থ মেলা হৈছে লেখক-প্ৰকাশক তথা পাঠক সমাজৰ বাবে এক মিলনৰ মেলা। এনে মেলাসমূহত 'গ্ৰন্থ বিপণী' দি অংশগ্ৰহণ কৰাটো নতুন প্ৰকাশক বা সংস্থাৰ ওচৰত তেনেই এক নতুন অভিজ্ঞতা। ইয়াৰ দ্বাৰা পাঠকৰ গ্ৰন্থৰ প্ৰতি থকা চাহিদা, ৰুচিবোধ তথা মানসিকতা জনাৰ উপৰিও গ্ৰন্থ বিক্ৰী কৰাৰ এক তিতা-মিঠা অভিজ্ঞতাৰ সোৱাদ লাভ কৰা যায়। তেনে এক তিতা-মিঠা অভিজ্ঞতাৰ সোৱাদ পাইছিলোঁ যোৱা ২০১৮ বৰ্ষৰ ডিচেম্বৰ মাহৰ শেষৰ পৰা ২০১৯ বৰ্ষৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহলৈকে অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অনুষ্ঠিত ৩১ সংখ্যক গুৱাহাটী গ্ৰন্থ মেলাত আমাৰ দগো ৰাংছাং গৱেষণা সমিতিয়ে কৰা অংশগ্ৰহণৰ যোগেদি।




গৱেষক ড° ধনেশ্বৰ কলিতা আৰু 'আবিলাক'ৰ সঞ্চালক ড° দীলিপ কুমাৰ কলিতাত সৈতে গ্ৰন্থমেলাৰ বাকৰিত ড° হাকাচাম

অসম চৰকাৰ আৰু প্ৰকাশন গোষ্ঠীৰ মাজত চলি থকা অৰিয়াঅৰিৰ বাবে সেই বৰ্ষত সদৌ অসম পুথি প্ৰকাশন সংস্থাই গুৱাহাটী গ্ৰন্থমেলা বৰ্জন কৰে। এই পৰিপ্ৰেক্ষিতত অসম প্ৰকাশন পৰিষদৰ ফালৰ পৰা অসমৰ বিভিন্ন বেচৰকাৰী সংস্থা (এন.জি.ও) সমূহক বিনামূলীয়াকৈ বিপণী দিয়াৰ সুবিধা আগবঢ়ায়। এনে সুবিধা পোৱাত পোন প্ৰথমবাৰৰ বাবে আমাৰ দগো ৰাংছাং গৱেষণা সমিতিয়ে এটা সৰু স্টল লৈ গ্ৰন্থ মেলাত অংশগ্ৰহণ কৰে। সেই বৰ্ষত অসম চৰকাৰে অসমৰ মহাবিদ্যালয়সমূহক গ্ৰন্থ ক্ৰয়ৰ বাবদ ধাৰ্য কৰা দুই লাখ টকাৰ বাজেটেৰে মহাবিদ্যালয়সমূহে নিজৰ কলেজ লাইব্ৰেৰীৰ নামত গ্ৰন্থ ক্ৰয় কৰিছিল। যাৰ বাবে ডাঙৰ ডাঙৰ বিপণীসমূহে নিজৰ ষ্টকৰ পৰা হোৱাহোৱে ন-পুৰণি গ্ৰন্থসমূহ বিক্ৰী কৰিবলৈ সক্ষম হৈছিল। আনকি আমাৰ সমিতিয়েও উক্ত গ্ৰন্থমেলাত নিজৰ দ্বাৰা প্ৰকাশিত আৰু আন প্ৰকাশন গোষ্ঠীৰ গ্ৰন্থসমূহ লৈ প্ৰায় ডেৰ-দুই লাখ টকাৰ গ্ৰন্থ বিক্ৰী কৰিবলৈ সক্ষম হয়।



কৰ্তব্যৰত অৱস্থাত 'দগো ৰাংছাং'ৰ বিপণীত আব্দুল মজিদ শ্বেখ

যিয়েই নহওক, সেই সময়ত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাৰ নিজ পৰিয়ালৰ কেইবাজনো সদস্য এক ভয়ংকৰ দুৰ্ঘটনাত পৰি মৃত্যুক আঁকোৱালি ল'ব লগা হয়। যি আছিল অতিকৈ মৰ্মান্তিক আৰু শোকাবহ ঘটনা। তৎসত্বেও, গ্ৰন্থ মেলাক লৈ কলিতা ডাঙৰীয়াই যি তৎপৰতা আৰু কৰ্তব্য পৰায়ণতা দেখুৱাইছিল সেয়া যিকোনো সাধাৰণ মানুহৰ পক্ষে সম্ভৱ নহয়।

শেষত আমাৰ সেই কাৰ্যত সহযোগিতা আগবঢ়োৱা ভাইটি মিজানুৰ ৰহমানৰ লগতে দগো ৰাংছাং গৱেষণা সমিতিৰ সদৌটিলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।◆◆

## ২ জানুৱাৰী, ২০১৯, চাপৰ, ধুবুৰী

# ৰত্নপীঠ মহাবিদ্যালয়ত 'সৰলতাৰ দিন' উদ্‌যাপন


ৰত্নপীঠ মহাবিদ্যালয়ত ড° উপেন ৰাভা হাকাচামৰ জন্মদিন উদ্‌যাপন

পাঁচখন গ্ৰন্থ উন্মোচন-ভাষা বিষয়ক মনোজ্ঞ বক্তৃতানুষ্ঠান

প্ৰকাশ ঃ অসমীয়া প্ৰতিদিন, ৩ জানুৱাৰী, ২০১৯ (বৃহস্পতিবাৰ)

**ধু**বুৰী জিলাৰ চাপৰস্থিত ঐতিহ্যমণ্ডিত ৰত্নপীঠ মহাবিদ্যালয়ত ড° উপেন ৰাভা হাকচামৰ ৫৮তম জন্মদিনটো 'সৰলতাৰ দিন' হিচাপে উদযাপন কৰা হয়। শৰৎ চন্দ্ৰ সিংহৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শুভাৰম্ভ কৰা অনুষ্ঠানখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সমিতিৰ সম্পাদক ড° অংশুমান দাসে। দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু ৰত্নপীঠ মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত উক্ত 'সৰলতাৰ দিন' উপলক্ষে **'গোৱালপৰীয়া, দেশী আৰু ৰাজবংশী ভাষাৰ নামকৰণ আৰু স্বীকৃতি ঃ বিতৰ্ক আৰু সমাধান'** শীৰ্ষক বিষয়ত এক মনোজ্ঞ বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হয়। গোৱালপৰীয়া লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক তথা চিলাৰায় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দ্বিজেন্দ্ৰ নাথ ভকতে মুখ্য বক্তা হিচাপে উপস্থিত থাকি উক্ত বিষয়ত এক সাৱলীল আৰু মননধৰ্মী বক্তৃতা প্ৰদান কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সমিতিৰ সভাপতি ড° ললিত চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত ৰত্নপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ সুভাস বৰ্মণে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে ড° হাকাচামলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। সংগীতা ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰফুল্ল কুমাৰ নাথে সৰলতাৰ দিনৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে ড° হাকাচামৰ বিদ্যায়তনিক দিশৰ আলোকপাত কৰি ভাষা-সাহিত্য আৰু সংস্কৃতিৰ পথাৰখনত কিদৰে ন ন দিশৰ উন্মেষ ঘটাইছে তাকো আঙুলিয়াই দিয়ে। প্ৰত্যেক বছৰৰ দৰে এইবেলিও গোৱালপৰীয়া লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক দ্বিজেন নাথ আৰু উত্তৰ-বংগৰ বিশিষ্ট গৱেষক ড° বিমলেন্দু মজুমদাৰক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানতে ড° উপেন ৰাভা হাকাচামৰ অভিনন্দন গ্ৰন্থ 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল আভা' (৭ম খণ্ড), ড° বিজু মৰাণ আৰু উপেন ডেকাই সম্পাদনা কৰি যুগুতাই উলিওৱা 'প্ৰবন্ধ চানেকী' , ড° উপেন ৰাভা হাকাচামৰ 'বক্তৃতাত্ৰয়' আদিৰ লগতে সমিতিৰ গৱেষণা পত্ৰিকা 'দগো ৰাংছাং' (নৱম সংখ্যা) উন্মোচন কৰা হয়। অনুষ্ঠানটিত ড° হাকাচামে জন্মদিনৰ অনুভৱ ব্যক্ত কৰাৰ লগতে ভাষা-সাহিত্য-সংস্কৃতি সন্দৰ্ভত নিজৰ অভিজ্ঞতা দাঙি ধৰে। অনুষ্ঠানটিত ৰাভা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশ্বনাথ ৰাভা তাৰা, অধ্যাপিক ৰূপাঞ্জলি দেৱী, চাৰুমোহন ৰাভা, দুৰ্যোধন ৰাভা আদি ব্যক্তিসকলকে ধৰি বহুসংখ্যক অধ্যাপক-অধ্যাপিকা, গৱেষক-গৱেষিকা আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ব্যক্তি উপস্থিত থাকি অনুষ্ঠানটি গাম্ভীৰ্যপূৰ্ণ কৰি তোলে।◆◆



ৰত্নপীঠত উদ্‌যাপিত 'সৰলতাৰ দিন'ত ভাষণৰত অৱস্থাত ড° হাকাচাম

**২ জানুৱাৰী, ২০২০, ছমৰীয়া**

# ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ত 'সৰলতাৰ দিন' উদ্‌যাপন


দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত...
ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগত...

সৰলতাৰ দিন
উদ্‌যাপন

মহাশয়/মহাশয়া,

ইংৰাজী নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছা গ্ৰহণ কৰিব। আমি আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে বিগত বছৰৰ দৰেই এইবাৰো 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ উদ্যোগত আৰু 'ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়'ৰ সহযোগত ২ জানুৱাৰী, ২০২০ তাৰিখে প্ৰথিতযশা গৱেষক পণ্ডিত ড° উপেন ৰাভা হাকাচামৰ ৫৯ সংখ্যক জন্মদিনটো 'সৰলতাৰ দিন' হিচাপে পালন কৰিবলৈ আয়োজন কৰা হৈছে।

উক্ত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক তথা দক্ষিণ কামৰূপৰ লোক-সংস্কৃতিৰ এগৰাকী সাধক শ্ৰীযুত ভুবিন চন্দ্ৰ ৰাভা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজসেৱী শ্ৰীযুত মদন কলিতাক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। এই অনুষ্ঠানত 'অসমত হিন্দু মুছলমানৰ সম্প্ৰীতি সাধনত গুৰু দুজনা আৰু সত্ৰৰ ভূমিকা' শীৰ্ষক মূল বক্তৃতা প্ৰদান কৰিব বিশিষ্ট শিক্ষাবিদ ইৰচাদ আলীয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট লোকসংস্কৃতিবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সমিতিৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড° প্ৰবীণ চন্দ্ৰ দাস। তদুপৰি 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ গৱেষণা পত্ৰিকা 'দগো ৰাংছাং'ৰ লগতে অন্যান্য গ্ৰন্থও উন্মোচন কৰা হ'ব।

উক্ত অনুষ্ঠানত আপোনাৰ উপস্থিতি আৰু সহযোগিতা একান্তভাৱে কামনা কৰা হ'ল।

বিনীত–

প্ৰাণকৃষ্ণ দেৱ নাথ
অধ্যক্ষ
ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়

ড° ললিত চন্দ্ৰ ৰাভা
সভাপতি

ড° অংশুমান দাস
সম্পাদক

দগো ৰাংছাং গৱেষণা সমিতি

সময় ঃ পুৱা ১০.০০ বজাৰ পৰা আবেলি ১ বজালৈ
স্থান ঃ ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়, ছমৰীয়া

'সৰলতাৰ দিন'ৰ নিমন্ত্ৰণী পত্ৰ

**বি**গত বছৰসমূহৰ দৰে এইবেলি ড° উপেন ৰাভা হাকাচামৰ ৫৯ সংখ্যক জন্মদিনটো 'সৰলতাৰ দিন' হিচাপে ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত এই দিনটোতে পৰম্পৰাগত ভাৱে এইবেলি **'অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতি সাধনত গুৰু দুজনা আৰু সত্ৰৰ ভূমিকা'** শীৰ্ষক বিষয়ৰ বক্তৃতা প্ৰদান কৰিব বিশিষ্ট শিক্ষাবিদ ইৰচাদ আলীয়ে। তদুপৰি, সৰলতাৰ দিনৰ লগত সংগতি ৰাখি প্ৰত্যেক বৰ্ষৰ দৰে এই বৰ্ষতো অৱসৰপ্ৰাপ্ত শিক্ষক তথা লোক-সংস্কৃতিৰ এগৰাকী সাধক শ্ৰীযুত ভুবিন চন্দ্ৰ ৰাভা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজসেৱী শ্ৰীযুত মদন কলিতাক তেওঁলোকৰ অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সমিতিৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বিশিষ্ট লোক-সংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাসে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।◆◆


দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত দুই জানুৱাৰীত সৰলতাৰ দিন

গুৱাহাটী, ২৯ ডিচেম্বৰঃ বিগত বছৰকেইটাৰ দৰে এইবাৰো গুৱাহাটী বিশ্ববিদ্যাল ভিত্তি 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ উদ্যোগত আৰু 'ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়'ৰ সহযোগত অহা দুই জানুৱাৰী ২০ তাৰিখে প্ৰথিতযশা গৱেষক পণ্ডিত ড° উপেন ৰাভা হাকাচামৰ ৫৯সংখ্যক জন্মদিনটো 'সৰলতাৰ দিন' হিচাপে পালন কৰিবলৈ আয়োজন কৰা হৈছে।


২০২০ চনত 'সৰলতাৰ দিন' উদ্‌যাপন সম্পৰ্কে 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ কাৰ্যনিৰ্বাহক সভাৰ এটি আলোকচিত্ৰ
ইতিহাস হোটেল, গোটানগৰ, গুৱাহাটী

# 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ প্ৰকাশনসমূহ




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'জ্যোতি প্ৰকাশন', গুৱাহাটী




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'অনুস্কা পাব্লিকেচন', বকো




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'কিৰণ প্ৰকাশন', ধেমাজী




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'আঁক্-বাক', গুৱাহাটী




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'অলিম্পিয়া প্ৰকাশন', গুৱাহাটী




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'জ্যোতি প্ৰকাশন', গুৱাহাটী




'দগো ৰাংছাং গৱেষণা সমিতি'ৰ হৈ
'চন্দ্ৰ প্ৰকাশ', গুৱাহাটী

# দগোৰাংছাং সমিতিলৈ ৰাইজৰ প্ৰীতিভৰা বাৰ্তা

## দগো ৰাংছাং
### (উদিত সূৰ্য্য)

দগো ৰাংছাং
দগো ৰাংছাং
তুমি দগো ৰাংছাং
হৈয়েই থাকা চিৰদিন
উত্তৰ পুৰুষৰ বাবে,

তোমাৰ সাত ৰঙী
মিঠা কিৰণৰ পৰশত
ওপৰলৈ মূৰ দাঙি
হাত মেলি উঠক
নতুন গজালিবোৰে।

তোমাৰ ৰস পান কৰি
পূৰ্ণতা পাওক প্ৰতিজনে
সুশোভিত সেউজীয়া ৰঙেৰে
উজলি উঠক জাতিষ্কাৰ হে
ফুলে-ফলে,

তোমাৰ আভা লৈয়েই
জ্ঞান-লখিমী চপাওঁক
শত-সহস্ৰজনে
গাঁৱে-ভূঁএঃ, দেশে-বিদেশে
চহৰে-নগৰে।

**—ধীৰেশ চন্দ্ৰ ৰায়**

## ছাৰৰ জন্মদিন আৰু মোৰ কিছু মিঠা অনুভৱ

এদিন হঠাৎ মোলৈ খবৰ আহিল যে— মই পঢ়া মহাবিদ্যালয়ত, দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ চৌহদত অসমীয়া বিভাগত মোৰ শ্ৰদ্ধাৰ ড° উপেন ৰাভা হাকাচাম ছাৰৰ জন্মদিনটো উদ্‌যাপন কৰাৰ বাবে আয়োজন কৰা হৈছে আৰু সেয়াই আছিল মোৰ জীৱনৰ প্ৰথম দিন, য'ত মই জানিব পাৰিছিলোঁ যে ছাৰৰ জন্মদিনটো 'দগো ৰাংছাং গৱেষণা সমিতি'ৰ উদ্যোগত আৰু গৱেষক ছাত্ৰ-ছাত্ৰীৰ সহযোগত প্ৰতি বছৰে ভ্ৰাম্যমান জন্মদিন , মানে ভিন ভিন স্থানত পতা জন্মদিন হিচাপে পালন কৰা হয়। পিছে 'সৰলতাৰ দিন' হিচাপে উদ্‌যাপন কৰা ছাৰৰ এই বিশেষ জন্মদিৱসত মোৰ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সৌভাগ্য হৈছিল ফৰকাটিং কনিষ্ঠ মহাবিদ্যালয় চৌহদত আয়োজিত (২ জানুৱাৰী, ২০১৭) ছাৰৰ ৫৫ তম্ জন্মদিৱসটোতহে। ছাৰক লগ পোৱাৰে পৰা ছাৰৰ পৰা সদায় মৰম আৰু আৰ্শীবাদ পাই অহাৰ লগতে সকলো ক্ষেত্ৰতে ছাৰৰ পৰা বিভিন্ন দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আৰু প্ৰেৰণা পাই আহিছোঁ। মোৰ অন্তৰত ছাৰৰ প্ৰতিথকা মৰম তথা শ্ৰদ্ধা ভক্তি কিমানখিনি বাহ্যিক ভাবে প্ৰকাশ কৰিব পাৰিছোঁ সেই কথা আনক প্ৰকাশ কৰিব নোৱাৰিলেও ছাৰৰ প্ৰতি যে মোৰ গভীৰ মৰম আৰু শ্ৰদ্ধা আছে সেয়া অন্তৰেৰে সদায় নিজেহে অনুভৱ কৰি আহিছোঁ। গতিকে এনে এটি অনুভৱ অন্তৰত লৈয়ে ছাৰৰ জন্মদিনটোৰ বাবে নিজকে প্ৰস্তুতি চলাইছিলোঁ। কি কৰোঁ, কি নকৰোঁ মনত একো ভাবি পোৱা নাছিলোঁ --তাতেই ছাৰৰ প্ৰতি থকা এটি ভয় ভয় ভক্তিভাৱ। সেয়েহে একো এটা সঠিক সিদ্ধান্ত ল'ব পৰা নাছিলোঁ। সময় একেবাৰে কম। হ'লেও কিবা এটা কৰাৰ খুবেই ইচ্ছা। এনেতে হঠাৎ মোৰ মনলৈ আহিল। সেই তাহানিতে বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়তে কৰিব বিচৰা এটি বহুদিনীয়া আশা। ভাবিলোঁ অতি গোপনে কৰা যাওক, মনত কিছু সন্দেহ। জানোচা বাস্তৱত কৰিব নোৱাৰোঁ। আৰু ভাবি মনত কিছু আনন্দও লাগিল। যদি সচাঁই কৰিব পাৰোঁ। যিহেতু সময়ো কম, তথাপিও অতি আগ্ৰহেৰে কম সময়ৰ ভিতৰতে প্ৰস্তুতি চলাইছিলোঁ। শেষত যেনিবা মনত বহু আশা লৈ নিজৰ গোপন পৰিকল্পনাক সাকাৰ ৰূপ দি ছাৰৰ সেই বিশেষ শুভদিনটোৰ বাবে সাজু হৈছিলোঁ।

সময় সন্ধিয়া ঠিক সাত (৭) বাজিছে। জীৱনৰ প্ৰথম নৈশ ৰেলযাত্ৰা। গুৱাহাটী কামাখ্যা ৰে'লষ্টেচনৰ পৰা গোলাঘাটৰ ফৰকাটিং ৰে'লষ্টেচনলৈ। মই অতি সুখী যে শ্ৰদ্ধাৰ ড° ললিত ৰাভা ছাৰ, ড° কনেশ্বৰ বৰুৱা ছাৰ, মজিবুৰ ৰহমান ছাৰকে আদি কৰি আন বহুতকে সহযাত্ৰী হিচাপে পোৱাৰ মোৰ সৌভাগ্য হৈছিল। মনত যথেষ্ট আনন্দ। মোৰ অতি মৰমৰ শ্ৰদ্ধাৰ ছাৰৰ জন্মদিনত পোন প্ৰথমবাৰৰ বাবে সক্ৰিয়ভাৱে আগভাগ লোৱাৰ আনন্দ। বহুদিনীয়া মনৰ আশাক বাস্তৱ ৰূপ দিয়াৰ আনন্দ। তাকো এক গোপন পৰিকল্পনাৰে।

নিশাৰ অন্ধকাৰৰ মাজেৰে ৰে'লখন স্বাভাৱিকভাৱে গৈ থাকিল। বিভিন্ন কথা-বতৰা, ভাব-বিনিময়েৰে কেইবা গৰাকীও শ্ৰদ্ধাস্পদ ছাৰৰ সহযাত্ৰী হৈ যাত্ৰা কৰি বেচ্ ভালেই লাগিছিল। "উম. .....এতিয়া খোৱা-লোৱা কৰি অলপ ৰেষ্ট ল'ব লাগে আৰু........কোনে কি আনিছা.... উলিওৱা..... মই কিন্তু তিনিটা ৰোল

আনিছোঁ....... হঠাৎ ড° কনেশ্বৰ বৰুৱা ছাৰে কোৱা কথাখিনিতহে খোৱা-লোৱাৰ কথা মনলৈ আহিল। পিছে কি হ'ব! লগত যে মই কোনো ধৰণৰ খোৱাৰ যোগাৰ অনা নাছিলোঁ। ৰে'লতো তেনেধৰণৰ খোৱাৰ কোনো ব্যৱস্থা নাপালোঁ। শেষত যেনিবা ছাৰৰ কৃপাত এটা ৰোলেকে মনোমতী বাইদেউৰ লগত ভগাই খাই নিদ্ৰা দেৱীৰ শৰণাপন্ন হ'লোঁ।

"উম্‌হ্ উম্‌হ্... উ... ম্... হ্... চায় চায় চায়... চায় বিস্কুট চায়... উ... ম্... হ্... উম্‌হ্ উম্‌হ্..." চিলমিল টোপনিতে ৰে'লৰ ডবাটোত শুনা চায়ৱালাৰ চিঞৰ আৰু বৰুৱা ছাৰৰ প্ৰতিক্ৰিয়াসূচক মাতে পুৱতিৰ ইংগিত দিয়াত চকু দুটা ভালদৰে মোহাৰি ল'লো। আৰু ছাৰৰ সাংকেতিক প্ৰতিক্ৰিয়াক বুজিবলৈ চেষ্টা কৰিলোঁ। মনত ভাব হ'ল— হাফ্ ৰোল খাই লঘোণে নিশাটো কটালোঁ আৰু এতিয়াহে চায় বিস্কুট। মানে... সেয়েহে হয়তো চায়ৱালাৰ প্ৰতি ছাৰৰ প্ৰতিক্ৰিয়া! "উম্‌হ্... উ... ম্... হ্..." ট্ৰেইনৰ পৰা নামি... ক'ত ব্ৰেকফাষ্ট, ক'ত গা ধুবা...।

নিৰ্দ্ধাৰিত সূচীমতে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাৰ ছাৰৰ জন্মোৎসৱ 'সৰলতাৰ দিন'ৰ শুভাৰম্ভ হয়। তাৰ পিছতে আমাৰ সকলোৰে মৰমৰ আদৰৰ শ্ৰদ্ধাৰ ছাৰক মঞ্চলৈ জন্মদিনৰ কেক্ কটাৰ বাবে আমন্ত্ৰণ জনোৱা হয়। সকলোৱে একেলগে ছাৰক জন্মদিনৰ ওলগ তথা শুভেচ্ছা জনায়। মই নিজে সক্ৰিয়ভাৱে ছাৰৰ এই ভ্ৰাম্যমাণ জন্মোৎসৱত উপস্থিত থাকি ছাৰক জন্মদিনৰ শুভেচ্ছা জনাবলৈ পাই সঁচাই নিজকে বৰ সুখী অনুভৱ কৰিছিলোঁ। সময় বাগৰি গৈ থাকিল ইমানবোৰ ভাল লগা মুহূৰ্তৰ মাজতো মোৰহে যেন কিবা এটা বুজাব নোৱাৰা অস্বস্তিৰ ভাৰ। কথাটো হ'ল— মোৰ বহুদিনীয়া আশাৰ এক গোপন পৰিকল্পনাক লৈ। ঘূণাক্ষৰেও কাকো কিছু জানিব নিদিয়াকৈ ৰখা ছাৰৰ প্ৰতি মোৰ সেই গোপন উপহাৰটো। কি কৰোঁ, কাক কওঁ, কেনেকৈ দিওঁ মুহূৰ্ততে এশ-এবুৰি চিন্তা- ভাবনাই মোৰ মগজুত ক্ৰিয়া কৰিব ধৰিলে। ইফালে বুকুৰ মাজত ধিপ্-ধিপ! ধিপ্-ধিপ্! কি যে এক মুহূৰ্ত! পিছে মনত বেচ আনন্দও লাগি আছিল। কাৰণ জীৱনত ছাৰক এটা বিশেষ উপহাৰ স্বৰূপে ছাৰৰ জন্মদিনতে দিব পৰাটো মোৰ বাবে সঁচাই সৌভাগ্যৰ কথা। মোৰ বিশ্বাস আছিল যে ছাৰেও খুব সুখী তথা আনন্দিত হ'ব। সময় যিমানে বাগৰিছে মোৰ বুকুৰ ধিপ্ ধিপনিও সিমানেই বাঢ়িছেহে বাঢ়িছে। অৱশেষত বহু সাহস গোটাই কাষতে বহি থকা শ্ৰদ্ধাৰ ড° কনেশ্বৰ বৰুৱা ছাৰকে ছাৰৰ প্ৰতি মোৰ গোপন উপহাৰটোৰ বিষয়ে এবাৰমান ক'লোঁ। বৰুৱা ছাৰৰ সহঁাৰিত সন্তুষ্ট হৈ এটা দীঘলীয়া উশাহ ল'লোঁ। মনত যেন কিছু সাহস পালোঁ। লাহে লাহে বৰুৱা ছাৰে মঞ্চৰ ফালে আগবাঢ়ি গৈ মোৰ মনৰ কথা অৱগত কৰি মোক মঞ্চলৈ আমন্ত্ৰণ কৰাত হাতত সেই বিশেষ উপহাৰটো, যিটো অতি সযতনে লৈ গৈছিলোঁ, অতি শ্ৰদ্ধাৰে, নিজ পৰিকল্পনাৰে, নিজে তৈয়াৰ কৰিছিলোঁ তাক দুহাতেৰে আলফুলে লৈ এখোজ-দুখোজকৈ মঞ্চৰ ফালে আগবাঢ়িলোঁ। মনত আনন্দ, ছাৰৰ প্ৰতি শ্ৰদ্ধা ভক্তি, তাতেই আৰু বুকুৰ ধিপ্ ধিপনি। জীৱনত কি যে এক মুহূৰ্ত! কি যে-এক বুজাব নোৱাৰা সন্ধিক্ষণ! উপহাৰটো হাতত লৈ কেতিয়া যে ছাৰৰ কাষ পালোঁ গমকে নাপালোঁ।

..."এ... কি আনিছা তুমি..." ছাৰৰ সহঁাৰিসূচক মিচিকিয়া হাঁহি ভৰা মাততহে নিজকে মঞ্চত আৱিষ্কাৰ কৰিলোঁ। মনৰ মাজত থকা চিন্তা আৰু ভাবনা, লগতে বুকুৰ ধিপ্ ধিপনি। দুচকুত মোৰ চকুলোৰ লোতক নিগৰি আহিল। হয়তো সেয়া ছাৰৰ প্ৰতি থকা মোৰ গভীৰ ভালপোৱা, শ্ৰদ্ধা আৰু ভক্তিৰ বহিঃ প্ৰকাশ। ক'ব নোৱাৰাকৈয়ে ছাৰক গোপন উপহাৰটোৰ বিষয়ে প্ৰকাশ কৰিলোঁ। ..."হা!!...হয় নেকি...!" ছাৰ যেন আনন্দত আপ্লুত হৈ গ'ল। আৰু সেয়ে হয়তো আমাৰ সকলোৰে পৰিচিত, বিশেষ মুহূৰ্তত সততে পাই থকা ছাৰৰ সেই চিনাকি হাঁহিটোৰে ছাৰে ক'লে— "অ! ...ই বোলে মোৰ হেৰি বনাই আনিছে। মোৰ মূৰ্তি বনাই আনিছে দিয়াচোন খোলা খোলা...।" ছাৰৰ কথাত মঞ্চত উপবিষ্ট আৰু ছাৰৰ সেই বিশেষ দিনটোত উপস্থিত থকা সকলোৰে যেন মুহূৰ্ততে মোৰ গোপন উপহাৰটোৰ প্ৰতি আগ্ৰহী হৈ পৰিল। সকলোৰে যেন চিন্তাত এক নতুন জিজ্ঞাসাৰ সূচনা হ'ল। সকলোৱে যেন ছাৰৰ সেই হুবহু প্ৰতিমূৰ্তিটো চোৱাৰ বাবে আগ্ৰহী হৈ পৰিল। অৱশেষত সকলো জিজ্ঞাসাৰ অন্ত পেলাই খুব সাৱধানে উপহাৰটোৰ পেকিং খুলি মোৰ বহুদিনীয়া আশাৰ, ছাৰৰ সেই বাস্তৱ প্ৰতিমুৰ্ত্তিটো ছাৰৰ দুহাতত তুলি দিলোঁ। আনন্দতে মুখেৰে সুখৰ হাঁহি এটিৰে সৈতে ওলাই আহিল— "হেপী বাৰ্থডে ছাৰ!" লগে লগে ছাৰেও মোৰ মূৰত হাত বুলাই দিলে। হয়তো সেয়া ছাৰে অন্তৰেৰেমোক দিয়া মোৰ প্ৰতি ছাৰৰ নিৰ্ভঁজ আশীৰ্বাদ। ছাৰৰ আশীৰ্বাদ শিৰত লৈ দুহাতেৰে ছাৰৰ চৰণ স্পৰ্শ কৰিলোঁ। হয়! কি যে অপাৰ আনন্দ! কি যে সুখ! য'ত শুদ্ধচিত্তে ছাৰৰ চৰণ স্পৰ্শ কৰি ছাৰৰ প্ৰতি থকা মোৰ গভীৰ শ্ৰদ্ধাৰে ছাৰৰ আশীৰ্বাদ লোৱাৰ সৌভাগ্য হৈছিল।

ছাৰৰ জন্মোৎসৱত উপস্থিত থাকিব পাৰি মই সচাঁই অতি সুখী হৈছোঁ, আনন্দিত হৈছোঁ আৰু যথেষ্ট উপকৃত হৈছোঁ। দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু গৱেষক ছাত্ৰ-ছাত্ৰীৰ সহযোগত ফৰকাটিং কনিষ্ঠ মহাবিদ্যালয় চৌহদত আয়োজিত ছাৰৰ এই বিশেষ দিনটোলৈ (সৰলতাৰ দিন, ২০১৭) আমন্ত্ৰিত বিশিষ্ট ব্যক্তি, লেখক তথা ভাষা সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত শ্ৰদ্ধাৰ ড° পদ্মেশ্বৰ গগৈ ছাৰ, ড° জ্যোতিৰেখা হাজৰিকা বাইদেউ, ড° দেৱব্ৰত শৰ্মা ছাৰকে আদি কৰি সকলোৰে সংস্পৰ্শ তথা সান্নিধ্য পাই মই যথেষ্ট সুখী হৈছোঁ। নিজকে ধন্য মানিছোঁ। ছাৰৰ যি বহুমূলীয়া বক্তব্য, ছাৰৰ যি প্ৰত্যাশা --অসমৰ লগতে উত্তৰ- পূৰ্বাঞ্চলৰ অৰ্থাৎ অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ বিয়পি থকা জনগোষ্ঠীয় থলুৱা লোকগীত, লোকসংস্কৃতি, লোক-ভাষাক লিখিত ৰূপত উপস্থাপন কৰি বিদ্যায়তনিক ভাৱে বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ ছাৰৰ যি আশা, যি পৰিকল্পনা তাত মই নিজকে যথেষ্ট উৎসাহী হৈছোঁ, অনুপ্ৰেৰণা পাইছোঁ। মনত সংকল্প লৈছোঁ— আগলৈ এনেধৰণৰ থলুৱা ভাষা-সংস্কৃতিৰ ওপৰত অধ্যয়ন তথা গৱেষণা কৰি সেইবোৰৰ উদ্ধাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিম। শেষত ছাৰলৈ ছাৰৰ জন্মদিনলৈ মোৰ আন্তৰিক শুভকামনা জনালোঁ। লগতে ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।◆◆

**— পূৰৱী বড়ো**
**প্ৰাক্তন ছাত্ৰী, মীৰ্জা**

# ২ জানুৱাৰী 'সৰলতাৰ দিন' উপলক্ষে 'অসম আদিত্য' বাতৰি কাকতত প্ৰকাশ পাবলগীয়া সাক্ষাৎকাৰৰ কিয়দাংশ



## অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অক্লান্ত সাধক ড° উপেন ৰাভা হাকাচামৰ সৈতে সাক্ষাৎকাৰ

*সাক্ষাৎগ্ৰহণ ঃ ড° বিজয়কৃষ্ণ দলে*

*অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এগৰাকী বৰেণ্য ব্যক্তি ড° উপেন ৰাভা হাকাচাম বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া অধ্যাপক। ৰাভামিজকে ধৰি অসমৰ নৃগোষ্ঠীৰ উপভাষাসমূহৰ অধ্যয়নৰ দিশত অগ্ৰগণ্য ড° ৰাভা হাকাচাম উত্তৰ-পূৰ্বাঞ্চলৰ অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাসমূহৰ তুলনামূলক বিশ্লেষণৰ দিশত বাটকটীয়া। মূলতঃ অসমীয়া ভাষা শাখাৰ ছাত্ৰ আৰু অধ্যাপক হোৱা সত্ত্বেও তেওঁ লোকবিদ্যা অধ্যয়ন (Folklore Studies), সংস্কৃতি অধ্যয়ন (Cultural Studies), সমাজ- ভাষাবিজ্ঞান (Socio- linguistics) আদি বিষয় কুক্ষিগত কৰি সেই সেই বিষয়ৰ গৱেষণা- অধ্যয়নৰ ( Ph. D. & M. Phil) তত্ত্বাৱধান, প্ৰকল্প ৰূপায়ন, গৱেষণা-পত্ৰ প্ৰস্তুত, গ্ৰন্থাদি প্ৰণয়ন কৰি নিজৰ দক্ষতা প্ৰদৰ্শন কৰি আহিছে। বিগত দহ বছৰে এইগৰাকী ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষকৰ জন্মদিনত অৰ্থাৎ আজিৰ দিনটোত তেখেতৰ শুভাকাংক্ষীসকলে 'সৰলতাৰ দিন' হিচাপে উদযাপন কৰি আহিছে। গতিকে এই বিশেষ দিনটোৰ লগত সংগতি ৰাখি তেখেতৰ লগত হোৱা এটি সাক্ষাৎকাৰ পাঠক সমাজলৈ আগবঢ়ালোঁ। সাক্ষাৎ গ্ৰহণ কৰিছে—ড° বিজয়কৃষ্ণ দলেয়ে।*

➢ *ছাৰ প্ৰথমতে আপোনাক আপোনাৰ ওপজা দিনৰ ওলগ যাচিছোঁ। আৰম্ভণিতে আপোনাক এটা কথা সুধিবলৈ মন গৈছে। —'এগৰাকী সৰলচিন্তীয়া ব্যক্তি আৰু সকলোৰে পৰিচিত 'ড° উপেন ৰাভা হাকাচাম'ৰ বিষয়ে চমুকৈ আপুনি কি ক'ব?*

◆ দুই জানুৱাৰীৰ দিনটো যোৱা দহ বছৰে মোৰ বাবে নিজকে উভতি চোৱাৰ দিন হৈ পৰিছে। সিদিনা মোৰ জন্মদিন (২।০১।৬৩) আৰু সিদিনাৰ দিনটো অসমৰ বিভিন্ন প্ৰান্তৰ কেইগৰাকীমান বিদ্বৎ সমাজৰ আশানুৰ্ধীয়া চেষ্টাৰ ফলত যোৱা দহ বছৰে আমি অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত এগৰাকী বা দুগৰাকীকৈ ভাষা-সাহিত্য, সমাজ-সংস্কৃতিৰ দিশত অনবদ্য সেৱা আগবঢ়োৱা লোকক চিহ্নিত কৰি সম্বৰ্দ্ধনা জনোৱা আৰু বিশেষ বিশেষ বিষয়ত সেই সেই বিষয়ৰ বিজ্ঞ লোকৰ জৰিয়তে একোটাকৈ বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। 'সৰলতাৰ দিন' নামেৰে উদযাপিত এই দিনটোতে 'দগোৰাংছাং' গৱেষণা পত্ৰিকাৰ উপৰি গৱেষণাধৰ্মী মৌলিক বা সম্পাদিত গ্ৰন্থবো প্ৰকাশ কৰা হয়।

সেয়েহে এই দিনটোলৈ মোৰ লগতে আমাৰ 'দগোৰাংছাং' গৱেষণা সমিতিৰ পৰিয়ালবৰ্গ অধীৰ আগ্ৰহেৰে বাট চাই থাকোঁ। আমাৰ লক্ষ্য আৰু আদৰ্শৰ ভিতৰত— ক) অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ মাজত সৌজন্যমূলক সহৃদয়তা প্ৰদৰ্শন কৰা আৰু তেওঁলোকৰ মাজলৈ গৈ সৌহাৰ্দপূৰ্ণ মত বিনিময়ৰ জৰিয়তে ঐক্য-সম্প্ৰীতিৰ ভাব গঢ়ি তোলাৰ লগতে তেওঁলোকক বিভিন্ন দিশত উৎসাহিত কৰা। খ) সতীৰ্থসকলৰ মাজত পাৰস্পৰিক সহযোগিতা সুদৃঢ় কৰাৰ মানসাৰ্থে সুখ-দুখৰ সমভাগী হোৱা আৰু পাৰিলে বছৰেকত একোবাৰ পাৰিবাৰিক প্ৰীতি মেলৰ আয়োজন কৰা। গ) সদস্যসকলৰ মনৰ দিগন্ত প্ৰসাৰিত কৰা আৰু ঘ) গৱেষণাৰ মাধ্যমেৰে নব্য-নতুন চিন্তাধাৰাৰে এক শৈক্ষিক পৰিৱেশ গঢ়ি তোলা এইকেইটাই প্ৰধান।

মই 'চহাৰ সৰল প্ৰাণ' স্বৰূপ এখন আওহতীয়া গাঁৱত জন্মি, সহজ-সৰল জনজাতীয় (ৰাভা) সমাজত ডাঙৰ-দীঘল হৈ, মাতৃভাষা ৰাভাৰ পৰিবৰ্তে ধাত্ৰীভাষা অসমীয়া মাধ্যমতে শিক্ষা গ্ৰহণ কৰিছোঁ। সেইবাবে সৰু-বৰ নেওচি সকলোৰে লগত সহমৰ্মিতা আৰু সমমৰ্যাদাৰে সহাৱস্থান কৰিবলৈ পালে হাততে সৰগ চুকি পোৱাৰ দৰে লাগে। এয়াই মোৰ আজন্ম হেঁপাহ আৰু এয়া মই অসম-ভূমিতে পাইছোঁ।

➢ *আপুনি ৰাভাকে ধৰি জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতি অধ্যয়ন কৰাৰ বাবে কিদৰে অনুপ্ৰাণিত হ'ল?*

◆ মই জন্মসূত্ৰে নিজে এটা জনগোষ্ঠীৰ প্ৰতিনিধি। কলেজীয়া জীৱনত প্ৰথমে বিজ্ঞান শাখাত (P. U. Sc.) পঢ়িলেও স্নাতক পৰ্যায়ৰ পৰা স্নাতকোত্তৰলৈ অসমীয়াতে (সন্মান সহ) শিক্ষা গ্ৰহণ কৰিলোঁ। সেয়েহে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত সাংস্কৃতিক বুৰঞ্জী (Cultural History) কাকতখন ক'ব নোৱাৰাকৈয়ে মোৰ এটা অতি প্ৰিয় বিষয় হিচাপে পৰিগণিত হ'ল। অৱশ্যে নিজে অসমীয়া মাধ্যমত পঢ়িলেও উত্তৰাধিকাৰী সূত্ৰে